# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-06-2023
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১) প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৌদী আৰবৰ প্ৰধানমন্ত্ৰী ৰাজকুমাৰ মহম্মদ বিন ছালমান বিন আব্দুলাজিজ আল ছাউডৰ সৈতে কালি টেলিফোনিক বাৰ্তালাপত মিলিত হয়।

২) কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে নতুন দিল্লীত আয়োজিত এশ সংখ্যক অলিম্পিক কোষ অভিযান বৈঠকৰ সময়ছোৱাত সমাগত এছিয়ান গেমছৰ বাবে ভাৰতৰ প্ৰস্তুতি পৰ্যালোচনা কৰে।

৩) স্কুলীয়া শিক্ষাৰ শেহতীয়া অগ্ৰগতি, আৰ এ এছ্ ই সন্দৰ্ভত ৩ দিনীয়া কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় সন্মিলন আজি জলন্ধৰৰ ড০ বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানত আৰম্ভ হ'ব।

৪) বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি নতুন দিল্লীত ইউক্ৰেইনৰ পৰা উভতি অহা এগৰাকী শিক্ষাৰ্থীৰ সৈতে মত-বিনিময় কৰে।

*আৰু*

৫) নেদাৰলেণ্ডছৰ এইন্দ'ভেনত অনুষ্ঠিত এফ আই এইচ প্ৰ' লীগ ২০২২-২৩ প্ৰতিযোগিতাত ভাৰতীয় পুৰুষ হকী দলটোৱে আৰ্জেণ্টিনাক ৩-২ ফলাফলত পৰাস্ত কৰি পুনৰবাৰ তালিকাৰ শীৰ্ষস্থান দখল কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৌদী আৰবৰ প্ৰধানমন্ত্ৰী ৰাজকুমাৰ মহম্মদ বিন ছালমান বিন আব্দুলাজিজ আল ছাউডৰ সৈতে কালি টেলিফোনিক বাৰ্তালাপত মিলিত হয়। দুয়োগৰাকী নেতাই উমৈহতীয়া স্বাৰ্থজড়িত বিভিন্ন বহুপাক্ষিক তথা গোলকীয় বিষয় সন্দৰ্ভত মত-বিনিময় কৰাৰ লগতে দ্বিপাক্ষিক সহযোগিতাৰ কেইবাটাও দিশ পৰ্যালোচনা কৰে। শ্ৰী মোদীয়ে চৌদী আৰবৰ নেতাগৰাকীক চলিত বছৰৰ এপ্ৰিলত ছুডানৰ পৰা ভাৰতীয় নাগৰিকসকলক জেড্ডাহৰ মাজেৰে স্থানান্তৰ কৰাৰ ক্ষেত্ৰত দিয়া সমৰ্থনৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। শ্ৰী মোদীয়ে সমাগত হজযাত্ৰাৰ বাবেও শুভেচ্ছা জ্ঞাপন কৰে। জি-টুৱেণ্টী অধ্যক্ষতাৰ অংশ হিচাপে ভাৰতে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ক্ষেত্ৰত চৌদী আৰবৰ নেতাগৰাকীয়ে পূৰ্ণ সমৰ্থন আছে বুলি সদৰী কৰি কয় যে, ভাৰত ভ্ৰমণৰ বাবে তেওঁ অপেক্ষাৰত।

ooooo

কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে নতুন দিল্লীত আয়োজিত এশ সংখ্যক অলিম্পিক কোষ অভিযান বৈঠকৰ সময়ছোৱাত সমাগত এছিয়ান গেমছৰ বাবে ভাৰতৰ প্ৰস্তুতি পৰ্যালোচনা কৰে। নতুন দিল্লীৰ ড০ কৰ্ণী সিং শ্বুটিং ৰেঞ্জত দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত অলিম্পিক কোষ অভিযান বৈঠকখনৰ অংশ হিচাপে এই পৰ্যালোচনা বৈঠকখন আয়োজন কৰা হয়।

ভাৰতীয় অলিম্পিক সংস্থাৰ যুটীয়া সচিব কল্যাণ চৌবে আৰু এ এফ আইৰ সভাপতি এডিলে ছুমাৰিৱালায়ো এই বৈঠকত অংশগ্ৰহণ কৰে। গগন নাৰাং, অঞ্জু ববি জৰ্জ, বীৰেন ৰাছকুইনহা, টুপ্তি মুৰগুণ্ডে, মনালিছা মেহতা, বাইচুং ভুটীয়াকে ধৰি কেইবাগৰাকীও বিশিষ্ট খেলুৱৈয়ে এই বৈঠকত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, অহা ২৩ ছেপ্তেম্বৰৰ পৰা ৮ অক্টোবৰলৈ চীনৰ হাংঝৌত এছিয়ান গেমছ, ২০২২ অনুষ্ঠিত হ'ব। ক্ৰীড়া মন্ত্ৰীগৰাকীয়ে এটা টুইটৰ জৰিয়তে কয় যে, ভাৰতক ক্ৰীড়াৰ ক্ষেত্ৰত মহা শক্তি হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে খেলুৱৈসকলৰ যাত্ৰাত পূৰ্ণ সমৰ্থন আগবঢ়াবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

ooooo

স্কুলীয়া শিক্ষাৰ শেহতীয়া অগ্ৰগতি, আৰ এ এছ ই সন্দৰ্ভত ৩ দিনীয়া কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় সন্মিলন আজি জলন্ধৰৰ ড০ বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানত আৰম্ভ হ'ব। পঞ্জাৱৰ ছাৰ্ভিতকাৰী শিক্ষা সমিতিয়ে এন আই টি জলন্ধৰ তথা অন্যান্য আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ সহযোগত এই শিক্ষা মহাসংঘৰ আয়োজন কৰিছে।

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে এই শিক্ষা মহাসংঘৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ৰূপায়ণৰ উত্তম উপায়সমূহ প্ৰদৰ্শন কৰা হোৱাৰ লগতে শৈক্ষিক ক্ষেত্ৰৰ সংস্কাৰসমূহ ৰূপায়ণৰ ক্ষেত্ৰত অংশীদাৰসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ চিনাক্ত কৰা হ'ব। এই শিক্ষা মহাসংঘত আই আই টি, এইমছ, আই আই এম তথা এন আই টিসমূহকে ধৰি দেশৰ আগশাৰীৰ প্ৰতিষ্ঠানসমূহে অংশগ্ৰহণ কৰিব।

ooooo

কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উৎপাদন মন্ত্ৰী পৰষোত্তম ৰূপালা আৰু ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগানে কেৰালা আৰু লাক্ষাদ্বীপক লৈ আয়োজিত সাগৰ পৰিক্ৰমা কাৰ্যসূচীৰ সপ্তম পৰ্যায়ৰ অংশ হিচাপে আজি মাহে, বেপ'ৰ, ছালিউম আৰু কাঝিক'ডে ভ্ৰমণ কৰিব। মন্ত্ৰী দুগৰাকীয়ে বেপ'ৰ মাছধৰা কেন্দ্ৰ ভ্ৰমণ কৰি মাহে আৰু কাঝিক'ডেত মাছমৰীয়াসকলৰ সৈতে মত-বিনিময় কৰিব। তেওঁলোকে লগতে সাহায্য আৰু প্ৰমাণপত্ৰ বিতৰণ অনুষ্ঠানতো অংশগ্ৰহণ কৰিব।

সাগৰ পৰিক্ৰমা কাৰ্যসূচীৰ অংশ হিচাপে মন্ত্ৰী দুগৰাকীয়ে মাছমৰীয়া তথা অন্যান্য অংশীদাৰসকলৰ জীৱনধাৰণৰ শৈলী উন্নত কৰাৰ বাবে উন্নত পৰিকল্পনা প্ৰস্তুত কৰাৰ প্ৰচেষ্টা হিচাপে মাছমৰীয়াসকলৰ সৈতে মত-বিনিময় কৰাৰ উদ্দেশ্যে সমগ্ৰ দেশৰ উপকূলীয় অঞ্চলসমূহ পৰিদৰ্শন কৰি আছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কালি নতুন দিল্লীত ইউক্ৰেইনৰ পৰা উভতি অহা এগৰাকী শিক্ষাৰ্থীৰ সৈতে মত-বিনিময় কৰে। এই সন্দৰ্ভত সংবাদ মাধ্যমৰ সৈতে মত-বিনিময় কৰি ড০ জয়শংকৰে কয় যে, শিক্ষাৰ্থীগৰাকীয়ে ইউক্ৰেইনলৈ উভতি গৈ অধ্যয়ন সমাপ্ত কৰিব বিচাৰিছে যদিও ইউক্ৰেইনৰ পৰিস্থিতি এতিয়াও নিয়ন্ত্ৰণাধীন নহয়। তেওঁ লগতে কয় যে, ইউক্ৰেইনত অনুষ্ঠিত হ'বলগীয়া পৰীক্ষাসমূহ ভাৰতত অনুষ্ঠিত হ'লে শিক্ষাৰ্থীসকল উপকৃত হ'ব।

ooooo

নিয়াৰ বিশেষ আদালতে থানেৰ জালনোট ঘটনা সন্দৰ্ভত কালি মুম্বাইত দুজন বাংলাদেশী নাগৰিকক ১০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰে। তদুপৰি লোক দুজনক ১০ হাজাৰ টকাকৈ জৰিমনা বিহা হয়। লোক দুজন বাংলাদেশৰ খুলনাৰ বাসিন্দা আব্দুল্লা শ্বেইকদাৰ আৰু নাজমুল হাছান বুলি চিনাক্ত কৰা হৈছে।

এই ঘটনা অনুসৰি বাংলাদেশৰ পৰা অনা ৪ লাখ ৮ হাজাৰ আক্ষৰিক মূল্যৰ জালনোট মহাৰাষ্ট্ৰত ব্যৱহাৰ কৰি থকা হৈছিল। থানে মহানগৰ আৰক্ষীয়ে ২০১৫ চনত মহানগৰ অপৰাধ শাখাৰ বিশেষ কোষৰ খবৰৰ ভিত্তিত এটা গোচৰ পঞ্জীয়ন কৰে।

ooooo

ইংলেণ্ডৰ অ'ভেলত কালি অনুষ্ঠিত বিশ্ব টেষ্ট ক্ৰিকেট চেম্পিয়নশ্বিপৰ ফাইনেলত অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত ৪৬৯ ৰান সংগ্ৰহ কৰাৰ প্ৰত্যুত্তৰত ভাৰতে দ্বিতীয় দিনাৰ খেল শেষ হোৱাৰ আগমুহূৰ্তত ৫টা উইকেটৰ বিনিময়ত ১৫১ ৰান সংগ্ৰহ কৰে। প্ৰতিযোগিতাত ভাৰত এতিয়াও ৩১৮ ৰানৰ ব্যৱধানত পিছ পৰি আছে। কে এছ ভৰতে ৫ ৰান আৰু আজিংকা ৰাহানেই ২৯ ৰান সংগ্ৰহ কৰি খেলি আছিল। ইয়াৰ আগেয়ে অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত ৪৬৯ ৰানত আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ মহম্মদ ছিৰাজে ৪টা উইকেট দখল কৰাৰ বিপৰীতে ছাৰ্দুল ঠাকুৰ আৰু মহম্মদ ছামিয়ে দুটাকৈ উইকেট দখল কৰে। আনহাতে অষ্ট্ৰেলিয়াৰ বেটছমেন ট্ৰেভিজ হেড আৰু ষ্টীভ স্মিথে ক্ৰমে ১৬৩ আৰু ১২১ ৰান সংগ্ৰহ কৰে। ভাৰতে একেৰাহে দ্বিতীয়বাৰৰ বাবে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল খেল খেলিছে।

ooooo

নেদাৰলেণ্ডছৰ এইন্ধ'ভেনত অনুষ্ঠিত এফ আই এইচ প্ৰ' লীগ ২০২২-২৩ প্ৰতিযোগিতাত ভাৰতীয় পুৰুষ হকী দলটোৱে আৰ্জেণ্টিনাক ৩-২ ফলাফলত পৰাস্ত কৰি পুনৰবাৰ তালিকাৰ শীৰ্ষস্থান দখল কৰিছে। খেলৰ ৩৩ মিনিটত ভাৰতৰ অধিনায়ক হৰমন প্ৰীত সিঙে, ৩৯ মিনিটত অমিত ৰোহিদাস আৰু ৫৯ মিনিটত অভিষেকে ভাৰতৰ হৈ এটাকৈ গ'ল দিয়ে। এই জয়ৰ সুবাদত ১৪ খন খেলৰ পৰা লাভ কৰা ২৭ পইণ্টেৰে ভাৰতে এফ আই এইছ প্ৰ' লীগৰ তালিকাত শীৰ্ষস্থান অধিকাৰ কৰিছে। ইয়াৰ বিপৰীতে ২৬ পইণ্টেৰে গ্ৰেট ব্ৰিটেইন দ্বিতীয় স্থানত আছে। অৱশ্যে গ্ৰেট ব্ৰিটেইনৰ হাতত এতিয়াও দুখন খেল বাকী আছে। প্ৰতিযোগিতাত নিজৰ শেষৰখন খেলৰ পূৰ্বে ভাৰতে কাইলৈ নেদাৰলেণ্ডছৰ মুখামুখি হ'ব। উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বে যোৱা বুধবাৰে নেদাৰলেণ্ডছৰ হাতত ভাৰত ৪-১ ফলাফলত পৰাজিত হৈছিল। ভাৰতে অন্তিমখন খেলত অহা দেওবাৰে আৰ্জেণ্টিনাৰ মুখামুখি হ'ব।

ooooo

ভাৰতীয় শ্বাটলাৰ কিদাম্বি শ্ৰীকান্তে কালি ১৬ ৰাউণ্ডত চীনা টাইপেইৰ চিয়া হাওলিৰ হাতত পৰাস্ত হৈ ছিংগাপুৰ অ'পেন ২০২৩ৰ পৰা বাহিৰ হৈছে। বিশ্বৰ ২৩ নম্বৰ খেলুৱৈ শ্ৰীকান্তে ৪২ নম্বৰ খেলুৱৈ লীৰ বিৰুদ্ধে ১৫-২১, ১৯-২১ ব্যৱধানত পৰাস্ত হৈ প্ৰতিযোগিতাখনত ভাৰতৰ অভিযানৰ অন্ত পেলায়। ইয়াৰ আগেয়ে কালি খেলৰ দ্বিতীয় ৰাউণ্ডত কোদাই নাৰাঅ'কাৰ বিৰুদ্ধে খেলি ভাৰতৰ প্ৰিয়াংশু ৰাজাৱটে ২১-১৭, ২১-১৬ ব্যৱধানত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'বলগীয়া হয়। ইফালে, ভাৰতৰ পুৰুষৰ ডাবলছত এম আৰ অৰ্জুন আৰু ধ্ৰুৱ কপিলা যুটিটোৱে ১৬ ৰাউণ্ডত গ্ৰেট ব্ৰিটেইনৰ বেন লেন আৰু শ্বেন ভেণ্ডিৰ হাতত ২১-১৫, ২১-১৯ ব্যৱধানত পৰাস্ত হৈ নকআউট হয়।

ooooo

ফ্ৰেন্স অ'পেন টেনিছ প্ৰতিযোগিতাত শীৰ্ষ বাছনিৰ খেলুৱৈ ইগা শ্বিয়াটেকক বিয়েট্ৰিজ হাড্ডাড মাইয়াক পৰাস্ত কৰি কেৰ'লিনা মুছুভোৰ বিৰুদ্ধে মহিলাৰ একক ফাইনেলত স্থান লাভ কৰিছে। প্ৰথমখন ছেমিফাইনেলত কেৰ'লিনাই দ্বিতীয় বাছনিৰ আৰিনা ছাবালেংকাক পৰাভূত কৰি কালি নিশা অনুষ্ঠিত প্ৰথমখন গ্ৰেণ্ড শ্লেমৰ ফাইনেলত প্ৰৱেশ কৰে। আনহাতে দ্বিতীয়খন ছেমিফাইনেলত শীৰ্ষ বাছনিৰ খেলুৱৈ

ইগা শ্বিয়াটেক ১৪ নম্বৰ বাছনিৰ ব্ৰাজিলৰ বিয়েট্ৰিজ হাড্ডাড মাইয়াক ৬-২, ৭-৬ ব্যৱধানত পৰাস্ত কৰি মহিলাৰ একক ফাইনেলত প্ৰৱেশ কৰে। ইয়াৰ পূৰ্বে জাপান আৰু জাৰ্মানৰ নিউকাৰ্ট আৰু টীম পুডজৰ যুটিটোৱে পেৰিছত মিক্সড ডাবলছৰ খিতাপ দখল কৰে।

oooooo

oooo

**ঃ সমাপ্ত ঃ**